# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 10**-02-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ৰাজ্যত অবৈধ খনন ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে অসম ক্ষুদ্ৰ খনিজ ৰেহাই অধিনিয়ম ২০২৪ শীৰ্ষক আইনৰ খচৰা প্ৰস্তুত কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ত আজি এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিকালত ৰাজ্য চৰকাৰৰ বন বিভাগে এই কথা সদৰি কৰে। মুখ্য ন্যায়াধীশ  বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নি কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠৰ শুনানিকালত বন বিভাগে আইন অনুসৰি খচৰাত অনুমোদন জনোৱাৰ পাছতেই ইয়াৰ ৰূপায়ণ কৰা হ'ব বুলি আদালতক অৱগত কৰে। অবৈধ খনন ৰোধৰ বাবে নতুন আইনত কেতবোৰ বিধি ব্যৱস্থা সংযোজন কৰা হৈছে বুলিও বন বিভাগে প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অবৈধভাৱে শিল, বালি, কয়লা আদি খনন সন্দৰ্ভত ওদালগুৰি জিলাৰ এজন ব্যক্তিয়ে উচ্চ ন্যায়ালয়ত এই ৰাজহুৱা স্বাৰ্থজড়িতখন দাখিল কৰিছিল।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি ৰাজভৱনৰ পৰা ভিডিঅ'  কনফাৰেন্সিং ব্যৱস্থাৰে সকলো জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে বৈঠকত মিলিত হয়। ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত ৰাজ্যপালগৰাকীয়ে ৰাজ ভৱনে শেহতীয়াকৈ গ্ৰহণ কৰা ৮ খন আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ লগত সংগতি ৰাখি ৰাজ্যপাল বিশেষ অসম প্ৰতিভা উৎসাহমূলক যোজনা, বিশ্বকৰ্মা সন্মান, ৰাষ্ট্ৰীয় কৃতজ্ঞতা তথা জাগৰণ যোজনা, অমৃত সৰোবৰ-সদভাৱনা সংগত যোজনা আদিকে ধৰি ৮ খন আঁচনি আৰম্ভ কৰিছিল। শ্ৰীআচাৰ্যই জিলা আয়ুক্তসকলক জনসাধাৰণৰ কল্যাণৰ হ'কে এই উন্নয়নমূলক কাৰ্যসূচীসমূহ সঠিকভাৱে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়।

০০০০

পৰিবহন বিভাগে অসম যান-বাহন স্ক্ৰেপিং নীতি ২০২২ ৰ এককালীন নিষ্পত্তি ব্যৱস্থাৰ অধীনত কেতবোৰ সুবিধা প্ৰদান কৰিছে। সেই অনুসৰি যান-বাহনৰ বকেয়াসহ যাৱতীয় কৰৰ মাত্ৰ ২৫ শতাংশ পৰিশোধ কৰি পথত চলাচলৰ অনুপযোগী বাহনৰ পঞ্জীয়ন বাতিল কৰিব পাৰিব। পৰিবহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসে এইকথা প্ৰকাশ কৰি কয়, যে বাহনৰ গৰাকীয়ে পঞ্জীয়ন বাতিলৰ প্ৰমাণপত্ৰ পঞ্জীয়নভুক্ত বাহন স্ক্ৰেপিং কেন্দ্ৰত জমা দি সেই বাহনৰ বিপৰীতে জমাকৰণ প্ৰমাণপত্ৰ লাভ কৰিব পাৰিব। এই প্ৰমাণপত্ৰৰ জৰিয়তে যিকোনো লোকে ব্যক্তিগত বাহন ক্ৰয়ৰ ক্ষেত্ৰত ১৫ বছৰলৈ ২৫ শতাংশ কৰ ৰেহাই আৰু বাণিজ্যিক বাহনৰ ক্ষেত্ৰত ৮ বছৰলৈ ১৫ শতাংশ কৰ ৰেহাই লাভ কৰিব। এই এককালীন প্ৰক্ৰিয়াৰ সময়সীমা অহা ৩১ মাৰ্চলৈকে থাকিব।

০০০০

সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট জিলাৰ জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ছাত্ৰ-ছাত্ৰী আৰু কৰ্তৃত্বশীল ব্যক্তিৰ বাহিৰে ৩ জন বা ততোধিক ব্যক্তিৰ সমাগম নিষিদ্ধ কৰা হৈছে। একে দূৰত্বৰ ভিতৰত বিস্ফোৰক বা সন্দেহজনক সামগ্ৰী নিয়া, অবৈধভাৱে পাৰ্কিং কৰা, লাউডস্পীকাৰ বজোৱা, ইলেকট্ৰনিক সামগ্ৰীৰ ব্যৱহাৰ আদিকে ধৰি ভালেমান দিশত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই নিষেধাজ্ঞা এতিয়াৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত বাহাল থাকিব।

কাৰ্বি আংলং জিলাৰ ডিফুৰ ৰেংবংহম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰা সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ অধ্যক্ষ লংসিং টিমুঙে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে পৰীক্ষাৰ প্ৰয়োজনীয় নীতি-নিৰ্দেশনাৰ বিষয়ত আলোচনা কৰে।

০০০০

মৰিগাওঁ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰৰ মহাপুৰুষ কৃষ্ণানন্দ দেৱক্ষেত্ৰত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোবিন্দ ভৱন গীতাসত্ৰৰ দ্বিবাৰ্ষিক কেন্দ্ৰীয় অধিবেশনৰ আয়োজন কৰা হৈছে। আজি পুৱাৰ ভাগত মৰিগাওঁৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে অধিবেশনথলী মূল তোৰণ উন্মোচনেৰে অধিবেশনৰ কাৰ্যসূচী মুকলি কৰে। ইয়াৰ পাছত অস্থায়ী নামঘৰৰ দুৱাৰ উন্মোচন, কেন্দ্ৰীয় ধৰ্মধবজা উত্তোলন, অখণ্ড প্ৰদীপ প্ৰজ্বলন, গ্ৰন্থমেলা, বাণিজ্য মেলা, সত্ৰাধিকাৰ শিবিৰ, সংস্কৃতিক মঞ্চ আদি উন্মোচন কৰা হয়। বজালীৰ গোবিন্দ ভৱন গীতা সত্ৰৰ সত্ৰাধিকাৰে আজি অমৰজ্যোতি নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। অধিবেশনত কাইলৈ মহাপুৰুষ কৃষ্ণানন্দ দেৱৰ জীৱন আদৰ্শ আৰু কৰ্মৰাজি বিষয়ক এখন ধৰ্মালোচনা সভা অনুষ্ঠিত হ'ব।

০০০০

গুৱাহাটীৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ উদ্যোগত অহা ১৬ৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ সপ্তদশ বাৰ্ষিক সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱা সোঁৱৰণী নাট সমাৰোহৰ আয়োজন কৰা হৈছে। ১৬ ফেব্ৰুৱাৰীৰ পৰা প্ৰতি সন্ধিয়া ৬ বজাৰ পৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত সমাৰোহৰ নাটসমূহ মঞ্চস্থ কৰা হ'ব। আজি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদ মেলত উদ্যোক্তাসকলে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰথমদিনা সন্ধিয়া প্ৰশান্ত কটকীৰ ৰচনা আৰু পৱিত্ৰ বৰুৱাৰ পৰিচালনাৰে যোৰহাট থিয়েটাৰে **কলৰে পাততে কাউৰী পৰে** শীৰ্ষক নাটখন মঞ্চস্থ কৰিব।

০০০০

সমাপ্ত